**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১।	সাংবিধানিক অধিকাৰ খৰ্ব হোৱা মাত্ৰেই আদালতে হস্তক্ষেপ কৰিব লাগে বুলি মুখ্য ন্যায়াধীশ সূৰ্যকান্তে প্ৰকাশ কৰিছে।

২।	আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শান্তি, নিৰাপত্তা আৰু সমৃদ্ধিৰ বাবে কৌশলগত প্ৰয়োজন বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে।

৩।	নৌসেনাই আজি INS MANGROL নামৰ ছাবমেৰিন প্ৰতিৰোধী তৃতীয়খন অগভীৰ যুদ্ধ জাহাজ ৰাষ্ট্ৰৰ সেৱাৰ বাবে ব্যৱহাৰৰ শুভাৰম্ভ কৰে।

৪।	নৱৰাত্ৰীৰ দ্বিতীয় দিনা সংযম, তপস্যা আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী ব্ৰহ্মচাৰিনীৰ পূজা-অৰ্চনা কৰা হৈছে।

*আৰু*

৫।	সমাজবাদী চিন্তাবিদ, মুক্তিযোদ্ধা ড০ ৰাম মনোহৰ লোহিয়াৰ মৃত্যু বাৰ্ষিকী উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

oooooooo

দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে যেতিয়াই সাংবিধানিক অধিকাৰ খৰ্ব হয় তেতিয়াই আদালতে হস্তক্ষেপ কৰিব লাগে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে সংবিধানে প্ৰতিগৰাকী নাগৰিকক মৰ্যাদা, সমতা, স্বাধীনতা আৰু ন্যায়কে ধৰি বহু প্ৰতিশ্ৰুতি দিছে। মানৱাধিকাৰ আয়োগে অভিযোগৰ তদন্ত কৰাৰ উপৰি ব্যৱস্থাৰ বিফলতা চিনাক্ত কৰিব লাগে বুলি তেওঁ লগতে উল্লেখ কৰে।

**বাইট (সূৰ্যকান্ত) (ইংৰাজী)**

মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে মানৱ অধিকাৰ মানৱ মৰ্যাদাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আৰু ইয়াৰ সৈতে স্বাস্থ্যসেৱা, খাদ্য, বাসস্থান, জীৱিকা আৰু পৰিচ্ছন্ন পৰিৱেশৰ সুবিধা অন্তৰ্ভুক্ত হৈ আছে। তেওঁ আয়োগে মানৱাধিকাৰৰ সুৰক্ষা নিৰন্তৰ শক্তিশালী কৰি যাব আৰু ন্যায়, মৰ্যাদা আৰু দায়ত্ববোধৰ প্ৰসাৰ কৰিব বুলি আস্থা ব্যক্ত কৰে। ন্যায়াধীশ সূৰ্যকান্তে উল্লেখ কৰে যে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে বিগত ৩৩ বছৰত ২৪ লাখৰো অধিক গোচৰ পঞ্জীয়ন কৰাৰ বিপৰীতে ২৩ লাখৰো অধিক গোচৰ নিষ্পত্তি কৰিছে। এন এইচ আৰ চি ইণ্ডিয়া মোবাইল এপ্লিকেচন মুকলি কৰিলে নাগৰিকসকলে অভিযোগ দাখিল কৰা, ইয়াৰ অগ্ৰগতি পৰীক্ষা কৰা আৰু সহজে তথ্য লাভ কৰাত সহায় হ'ব বুলি মুখ্য ন্যায়াধীশগৰাকীয়ে মন্তব্য কৰে।

oooooooo

দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে কয় যে উচ্চতম ন্যায়ালয়ৰ দুৱাৰ প্ৰতিগৰাকী লোকৰ বাবে খোলা আছে আৰু যিকোনো সাধাৰণ নাগৰিক অথবা কোনো নিৰ্বাচিত সংস্থাৰ সদস্যই দাখিল কৰা যিকোনো আবেদনেই আদৰণীয়। তেওঁ কয়, যে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকৰ আদালতৰ কাষ চপাৰ অধিকাৰ আছে আৰু আদালতে তেওঁলোকৰ কথা শুনিব আৰু আইনৰ অধীনত দিব পৰা সকাহ প্ৰদান কৰিব। ন্যায়াধীশগৰাকীৰ সাক্ষাতৰ বাবে আই এন ডি

আই এ ব্লকে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই ন্যায়াধীশ সূৰ্যকান্তে কয় যে তেওঁৰ সাক্ষাতৰ বাবে অনুৰোধ জনাই প্ৰেৰণ কৰা এখন পত্ৰ কালি লাভ কৰে আৰু যোৱা নিশা তেওঁ সাক্ষাৎ কৰিব নোৱৰাৰ কাৰণ ব্যাখ্যা কৰি পত্ৰখনৰ উত্তৰ দিয়ে।

**বাইট (সূৰ্যকান্ত) (হিন্দী)**

০০০০০০০০

সাম্প্ৰতিক সময়ৰ আন্তঃসংযোজিত বিশ্বৰ প্ৰেক্ষাপটত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা কেৱল কূটনৈতিক বিকল্প নহয়, বৰং শান্তি, নিৰাপত্তা আৰু সমৃদ্ধিৰ বাবে কৌশলগত প্ৰয়োজন বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয়ৰ ৬৬ সংখ্যক পাঠ্যক্ৰমৰ শুভাৰম্ভ অনুষ্ঠানত দিয়া ভাষণত শ্ৰী ৰাধাকৃষ্ণণে কয়, যে পাৰস্পৰিক বিনিময় আৰু এই বিনিময়ক সমন্বিত কাৰ্যপন্থালৈ ৰূপান্তৰ কৰাতেই গোলকীয় সহযোগিতাৰ তাৎপৰ্য লুকাই আছে। তেওঁ কয়, যে জলবায়ু পৰিৱৰ্তন আৰু সন্ত্ৰাসবাদৰ দৰে গোলকীয় সমস্যাসমূহে সমন্বিত সঁহাৰি দাবী কৰে।

শ্ৰী ৰাধাকৃষ্ণণে কয়, যে 'বসুধৈৱ কুটুম্বকম্' কেৱল ভাৰতৰ বাবেই এটা শ্ল'গান নহয়। যিকোনো এখন ৰাষ্ট্ৰ দুৰ্যোগ নাইবা বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ সময়ত ভাৰত অন্যতম ৰাষ্ট্ৰ হিচাপে সহায়ৰ বাবে অগ্ৰসৰ হয় বুলিও তেওঁ কয়। ভাৰতে আনক দমন কৰি নাইবা হেঁচা প্ৰয়োগ কৰি নহয়, উন্নয়নৰ পদ্ধতিৰে আটাইতকৈ শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'বলৈ বিচাৰে বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

নৌসেনাই আজি INS MANGROL নামৰ কোচিৰ কোচিন জাহাজ নিৰ্মাণ কাৰখানাত নিৰ্মিত ছাবমেৰিন প্ৰতিৰোধী তৃতীয়খন অগভীৰ যুদ্ধ জাহাজ এ এছ ডব্লিউ- এছ ডব্লিউ চি, মুম্বাইৰ নৌসেনাৰ জাহাজ নিৰ্মাণাগাৰত ৰাষ্ট্ৰৰ সেৱাৰ বাবে ব্যৱহাৰৰ শুভাৰম্ভ কৰে। থলুৱা প্ৰযুক্তিৰে নিৰ্মিত এই যুদ্ধ জাহাজখনে উপকূলীয় আৰু অগভীৰ সামুদ্ৰিক অঞ্চলত ছাবমেৰিণৰ প্ৰৱেশ ধৰা পেলোৱাৰ লগতে ইয়াক প্ৰতিহত কৰাৰ ক্ষেত্ৰত নৌসেনা বাহিনীৰ ক্ষমতা বৃদ্ধি কৰিব। আজি এই শুভাৰম্ভ অনুষ্ঠানত পশ্চিম নৌসেনা কামাণ্ডৰ ফ্লেগ অফিচাৰ, কামাণ্ডিং ইন চীফ, উপ-নৌসেনাধ্যক্ষ সঞ্জয় বাৎসায়নে অধ্যক্ষতা কৰিব। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয়, যে এই জাহাজখন ৮০ শতাংশতকৈ অধিক থলুৱা সামগ্ৰী ব্যৱহাৰেৰে নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ দ্বাৰা দেশৰ অভিযান্ত্ৰিক সামৰ্থ, প্ৰযুক্তিগত বিকাশ বৃদ্ধি কৰাৰ লগতে থলুৱা প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত দেশৰ সংকল্পবদ্ধতাকো প্ৰতিপন্ন কৰিব। নৌসেনা বাহিনীৰ সম্প্ৰসাৰণ সন্দৰ্ভত আলোকপাত কৰি তেওঁ কয়, যে চলিত বছৰত ১০ খন জাহাজ কাৰ্যক্ষম কৰা হৈছে আৰু শীঘ্ৰেই আৰু ৮ খন জাহাজ কাৰ্যক্ষম কৰা হ'ব বুলি আশা কৰা হৈছে। তেওঁ লগতে কয়, যে ২০৩৪ চনৰ ভিতৰত নৌসেনা বাহিনীত ব্যৱহৃত সকলো আহিলা ১০ বছৰৰ ভিতৰত সংযোজন কৰা হ'ব।

০০০০০০০০

দেৱী দুৰ্গাক আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰে নৱৰাত্ৰি পূজা চলি আছে। আজি নৱৰাত্ৰিৰ দ্বিতীয় দিনা দেৱীক ব্ৰহ্মচাৰিণী ৰূপত পূজা কৰা হৈছে। সংযম, তপস্যা আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী ব্ৰহ্মচাৰিণীৰ পূজা ৰাজ্যৰ বিভিন্ন প্ৰাচীন দৌল-দেৱালয়সমূহত যথাবিহিত ৰীতি-নীতিৰে সম্পন্ন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ দ্বিতীয় দিনা জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে সংযম, ত্যাগ আৰু দৃঢ়তাৰ প্ৰতিভূ দেৱী ব্ৰহ্মচাৰিণীয়ে সকলোকে আত্মসংযম আৰু সাহস যোগাব বুলি কামনা কৰে। উল্লেখযোগ্য যে কালি নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেৱীক শৈলপুত্ৰীৰ ৰূপত আৰাধনা কৰা হয়। কাইলৈ দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা কৰা হ'ব। ইয়াৰ পাছত কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ

পূজা কৰা হ'ব। আনহাতে শুকুৰবাৰে ষষ্ঠীৰ সন্ধিয়া দেৱীক বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। ধৰ্মীয় বিশ্বাস অনুসৰি এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিছে আৰু নৌকাৰে গমন কৰিব।

০০০০০০০০

সমাজবাদী চিন্তাবিদ আৰু মুক্তিযোদ্ধা ডং ৰাম মনোহৰ লোহিয়াৰ মৃত্যু বাৰ্ষিকী উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী সিঙে কয়, যে ডং লোহিয়া ৰাজনৈতিক সততা, সামাজিক ন্যায় আৰু বঞ্চিতসকলৰ অধিকাৰ ৰক্ষাৰ বাবে সংগ্ৰাম কৰি থকা সকলৰ অনুপ্ৰেৰণাস্বৰূপ। তেওঁ কয়, যে চিন্তাবিদগৰাকীয়ে সমাজত বৰ্তি থকা অসমতা আঁতৰ কৰাৰ বাবে অবিৰত সংগ্ৰাম কৰাৰ লগতে ৰাষ্ট্ৰীয় একতা শক্তিশালী কৰাৰ বাবেও প্ৰয়াস চলাইছিল। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ডং ৰাম মনোহৰ লোহিয়াৰ আদৰ্শই এখন সৰ্বাত্মক সমাজ গঢ়াৰ দিশত সকলোকে অনুপ্ৰাণিত কৰি আহিছে বুলি মত প্ৰকাশ কৰে।

০০০০০০০০

ছৌদি আৰবৰ ৰাজধানী ৰিয়াধৰ কিং খালিদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত কালি পুনৰ আক্ৰমণ হয়। অসামৰিক বিমান পৰিবহণৰ সাধাৰণ কৰ্তৃপক্ষ জি এ চি এই প্ৰকাশ কৰা মতে এই আক্ৰমণত আহত আৰু ক্ষতিগ্ৰস্তৰ মূল্যায়ন অব্যাহত আছে। বিমান বন্দৰটোত যোৱা শনিবাৰৰ আক্ৰমণৰ পাছতে কালি পুনৰ আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে ১১ জন আহত হয়।

ৰিয়াধত থকা ভাৰতীয় দূতাবাসে জনোৱা মতে যোৱা শনিবাৰৰ আক্ৰমণত মৃত্যু হোৱা ১৩ জন লোকৰ ভিতৰত এজন ভাৰতীয় লোকো আছে। এই প্ৰথমটো আক্ৰমণত ৩০৮ জন লোক আহত হৈছিল আৰু ইয়াৰ ভিতৰত ১০ জন ভাৰতীয় আছে। ৰিয়াধৰ ভাৰতীয় দূতাবাসে নিহত ব্যক্তিগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি কয়, যে মৃতদেহটো দেশলৈ ঘূৰাই পঠোৱাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণকে ধৰি সকলো প্ৰকাৰৰ সহায়ৰ বাবে পৰিয়ালটোৰ সৈতে সংযোগত আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰতীয় লোকজনৰ মৃত্যুত শোক প্ৰকাশ কৰি পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। ড০ জয়শংকৰে কয় যে ৰিয়াধৰ বিমান বন্দৰৰ এই আক্ৰমণৰ পাছত ভাৰতীয় দূতাবাসে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় দূতাবাসে ছৌদি আৰৱত থকা সকলো ভাৰতীয়ক সতৰ্ক হৈ থাকিবলৈ আৰু পৰা পক্ষত ঘৰৰ ভিতৰতে থাকিবলৈ পৰামৰ্শ দিছে। তেওঁলোকক চৰকাৰী চেনেলৰ জৰিয়তে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শাৱলীসমূহ মানি চলিবলৈ আহ্বান জনোৱা হৈছে। দূতাবাসৰ কৰ্তৃপক্ষই আহত ভাৰতীয় লোক চিকিৎসাধীন হৈ থকা সকলো হাস্পতাল পৰিদৰ্শন কৰিছে।

ইপিনে য়েমেনৰ হুথী বিদ্ৰোহীয়ে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি বিমান কোম্পানী আৰু যাত্ৰীসকলক ছৌদি আৰৱৰ বিমান বন্দৰ তথা আকাশমাৰ্গ ব্যৱহাৰ নকৰিবলৈ সতৰ্ক কৰি দিছে। বিদ্ৰোহী গোটটোৱে জনোৱা মতে তেওঁলোকে বেলিষ্টিক আৰু ক্ৰুজ ক্ষেপণাস্ত্ৰৰ লগতে ড্ৰোনেৰে বিমান বন্দৰটোত আক্ৰমণ চলায়। হুথীয়ে সকলো ছৌদি বিমান বন্দৰেই তেওঁলোকৰ সম্ভাব্য লক্ষ্য বুলি সতৰ্কবাণী দিছে। হুথী বিদ্ৰোহীয়ে প্ৰকাশ কৰা অনুসৰি য়েমেনৰ গৃহযুদ্ধত চৰকাৰী পক্ষক ছৌদি আৰৱে সমৰ্থন যোগোৱা আৰু ছানা বিমান বন্দৰত আক্ৰমণ চলোৱাৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ চলাইছে।

০০০০০০০০

সমাপ্ত